# বানান ভুলৰ সমস্যা আৰু প্ৰাসংগিক চিন্তা

কৃষ্ণ ভুজেল

অসমীয়া ভাষাৰ বিভিন্ন ভাষিক সমস্যাসমূহৰ ভিতৰত আখৰ-জোঁটনিৰ সমস্যা আৰু বানান ভুলৰ সমস্যা অন্যতম। বৰ্তমান সময়ত ই এটা জটিল সমস্যাত পৰিণত হৈছে। অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সময়ত নিজৰ লেখা-মেলাত বানান ভুলৰ সমস্যাৰ বলি হোৱা দেখা যায়। আনকি কাকত-আলোচনী, সংবাদ মাধ্যম আদিতো অসমীয়া শব্দৰ বানান ভুল হোৱা বিভিন্ন সময়ত দেখিবলৈ পোৱা গৈছে। বহু শিক্ষক-শিক্ষয়িত্ৰী, লেখক-লেখিকাৰ ক্ষেত্ৰতো এনে সমস্যা সৃষ্টি হোৱা দেখা যায়। ভাষাৰ জ্ঞানৰ ক্ষেত্ৰত দেখা দিয়া এইধৰণৰ ভাষিক সমস্যাই অসমীয়া ভাষাৰ বিস্তৰ ক্ষতি সাধন কৰা যেন অনুভৱ হয়। ইয়াৰ বলি হোৱা লোকৰ ভিতৰত অধিকাংশই অসমীয়া নৱপ্ৰজন্ম, যিটো অসমীয়া ভাষাৰ ভৱিষ্যতৰ বাবে সংকটজনক বাৰ্তা। কাৰণ নৱপ্ৰজন্মৰ ওপৰত অসমীয়া ভাষাৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে আৰু এইসকলেই যদি এনে ভাষিক সমস্যাৰ বলি হয়, তেতিয়াহ'লে অসমীয়া ভাষাৰ বিকাশ কেনেকৈ সম্ভৱ?

মনত এটা প্ৰশ্নই বৰকৈ আমনি কৰে, ইংৰাজী আমাৰ বাবে বহিৰাগত ভাষা হৈও ইংৰাজী শব্দৰ বানানৰ ভুল আমাৰ নৱপ্ৰজন্মই কমকৈ কৰা দেখা যায়। কিন্তু নিজৰ মাতৃভাষাৰ ক্ষেত্ৰত এনেকুৱা বানান ভুলৰ সমস্যা সৃষ্টি হোৱাৰ কাৰণটোনো কি? যিটো ভাষা আমি জন্মৰেপৰা ব্যৱহাৰ কৰি আহিছোঁ, যাৰ যোগেদি আমি আমাৰ ভাবসমূহ বিনিময় কৰি আহিছোঁ, সেই ভাষাৰ ক্ষেত্ৰত কিহৰ বাবে এই ভাষিক সমস্যাৰ সৃষ্টি হয়? এইধৰণৰ প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ গ'লে হয়তো বহু সময়ত হাবাথুৰি খোৱাৰ লগতে বিপাঙত পৰিব লগা হ'ব পাৰে। আজি বহু বিশিষ্ট সাহিত্যিক, ভাষাবিদসকল এনে সমস্যা আৰু অসমীয়া ভাষাৰ ভৱিষ্যতক লৈ চিন্তিত হৈ পৰিছে। ইয়াৰ সমাধানৰ বাবে বহু প্ৰচেষ্টা হাতত লৈছে যদিও সম্পূৰ্ণভাৱে সফল হ'ব পৰা নাই। তথাপি মোৰ ক্ষুদ্ৰ মগজুৰে এই সমস্যা সম্পৰ্কে চমুকৈ আলোকপাত কৰিবলৈ চেষ্টা কৰিছোঁ।

মানুহৰ জীৱনৰ সফলতাৰ আঁৰত 'আগ্ৰহ'ৰ এটা গুৰুত্বপূৰ্ণ পৰোক্ষ ভূমিকা থাকে। আগ্ৰহে কামক ভাল পাবলৈ মানুহক শিকায়, পৰিশ্ৰম কৰিবলৈ শিকায়। আগ্ৰহে মানুহৰ মনত জিজ্ঞাসা জন্মায়, এটা সফল বাট দেখুৱায়। যি কামৰ প্ৰতি মানুহৰ আগ্ৰহ থাকে, সেই কামক মানুহে মনোযোগেৰে শুদ্ধ আৰু পৰিপাটিকৈ কৰিবলৈ পৰিশ্ৰম কৰে আৰু সি সফল হয়। সফলতাৰ অন্য এটা নামেই হৈছে পৰিশ্ৰমী আগ্ৰহ। ঠিক সেইধৰণেই আমাৰ বানানৰ এই ভাষিক সমস্যা সৃষ্টি হোৱাৰ ক্ষেত্ৰতো আগ্ৰহৰ অভাৱ হোৱা যেন অনুভৱ হয়। কিয়নো আমি যদি মনৰ আগ্ৰহেৰে আমাৰ মাতৃভাষাৰ চৰ্চা আৰু সাধনা কৰোঁ, তেতিয়া হয়তো বানান ভুল হোৱাৰ প্ৰশ্নই নুঠিব। এতিয়া প্ৰশ্নটো হ'ল—আগ্ৰহ কেনেকৈ আৰু ক'ত জন্মিব? আমাৰ সমাজ ব্যৱস্থা আৰু শিক্ষা-প্ৰতিষ্ঠানবোৰে শিক্ষাৰ্থীৰ মনত অসমীয়া ভাষা আৰু ব্যাকৰণৰ প্ৰতি আগ্ৰহ জন্মোৱাত সফল হৈছেনে?

উপৰিউক্ত প্ৰশ্নৰ উত্তৰ হয়তো বহুতে নিজ নিজ যুক্তিৰে বিভিন্নধৰণে প্ৰদৰ্শন কৰিব, বহুতে হয়তো সমালোচনাও কৰিব, কিন্তু প্ৰকৃত সত্যক স্বীকাৰ কৰাটোহে আচল কথা। **দেখিবলৈ পোৱা যায় যে বিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীক ইংৰাজী ব্যাকৰণ পঢ়োৱাত যিমান গুৰুত্ব দিয়া হয়, তাৰ দহ শতাংশ গুৰুত্বও অসমীয়া ব্যাকৰণ পঢ়োৱাত দিয়া নহয়। আনকি কিছুমান বিদ্যালয়ত অসমীয়া ব্যাকৰণক স্পৰ্শ নকৰাৰ উদাহৰণো আছে। সৰুৰেপৰা অভিভাৱকসকলেও ইংৰাজী ব্যাকৰণ শিকিবলৈ নিজৰ ল'ৰা-ছোৱালীক টিউশ্যন দিয়ে, কিন্তু তাৰ পৰিৱৰ্তে অসমীয়া ব্যাকৰণ শিকিবলৈ ল'ৰা-ছোৱালীৰ বাবে ব্যাকৰণৰ পুথিও আনি নিদিয়ে। আনহাতে বিদ্যালয়সমূহত শ্ৰুতলিপি দিয়াৰ নিয়ম ক্ৰমান্বয়ে নাইকিয়া হ'ল, যিয়ে বানান শুদ্ধকৈ লিখাত বিশেষ অৰিহণা যোগাইছিল।** কিয়নো এসময়ত বিদ্যালয়ত শ্ৰুতলিপি দিব বুলি ঘৰত একোটা বাক্য পঢ়োঁতে ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যেকটো শব্দ, প্ৰত্যেকটো বানান মন দি পঢ়িছিল। কিন্তু বৰ্তমান এনে শ্ৰুতলিপিৰ পৰম্পৰা নাইকিয়া হোৱাত, বানানৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ সচেতনতা নাইকিয়া হৈছে। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলে Tense, Voice Change, Narration বুলিলে যিমান সহজে বুজি পায়, হয়তো কাল, বাচ্য, উক্তি, বিশেষ্য- বিশেষণ বুলিলে বহু কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে বুজি পাব। ইয়াৰপৰাই প্ৰমাণ হয় যে আমাৰ উঠি অহা ছাত্ৰ-ছাত্ৰীসকল ইংৰাজী ব্যাকৰণৰ তুলনাত অসমীয়া ব্যাকৰণৰ প্ৰতি কিমান সচেতন বা আগ্ৰহী।

যিটো ভাষা আৰু ব্যাকৰণক বিদ্যালয়, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, অসমীয়া সমাজ সকলোৱে হেয় জ্ঞান কৰিছে, সেই ভাষা আৰু ব্যাকৰণৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ কেনেকৈ জন্মিব? আৰু তেনেস্থলত ভাষিক সমস্যা সৃষ্টি হোৱাটো স্বাভাৱিক। আচল কথাটো হ'ল, যেতিয়ালৈকে বিদ্যালয়সমূহত, অসমীয়া সমাজত স্বকীয় ভাষা আৰু ব্যাকৰণক গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰা নহয়, তেতিয়ালৈকে ভাষিক সমস্যা সমাধান নহয়। কাৰণ ব্যাকৰণ অধ্যয়নৰ অবিহনে কোনো ভাষাকে শুদ্ধকৈ আয়ত্ত কৰিব নোৱাৰি। সেয়ে সৰুৰেপৰা বিদ্যালয়সমূহত গুৰুত্বপূৰ্ণ বিষয় হিচাপে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া ব্যাকৰণ পঢ়াব লাগে, শ্ৰুতলিপি দিয়াৰ ব্যৱস্থা কৰিব লাগে, অভিভাৱকসকলেও নিজ সন্তানৰ মনত মাতৃভাষাৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ চেষ্টা কৰিব লাগে, তেতিয়াহে হয়তো শব্দৰ বানান ভুল হোৱাৰ দৰে ভাষিক সমস্যাৰ সমাধান হ'ব। কাৰণ অসমীয়া ভাষা আৰু ব্যাকৰণৰ প্ৰতি আগ্ৰহ জন্মাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলে তাক মনোযোগেৰে শুদ্ধ আৰু পৰিপাটিকৈ গ্ৰহণ কৰিবলৈ যত্ন কৰিব। তেতিয়াই সকলো সমস্যাৰ সমাধান ওলাব। এইক্ষেত্ৰত অসম সাহিত্য সভা আৰু অসম চৰকাৰেও বিশেষভাৱে গুৰুত্ব দিয়া উচিত, অন্যথা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তৰণত সৃষ্টি হোৱা বাধাসমূহ কেতিয়াও নাইকিয়া নহ'ব।

অসমীয়া ভাষাৰ ক্ষেত্ৰত দেখা দিয়া বানান ভুলৰ সমস্যাৰ সমাধানৰ ওপৰত আলোকপাত কৰি ভাষা আৰু ব্যাকৰণৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক সচেতন কৰোৱাটোহে মোৰ প্ৰধান লক্ষ্য। এগৰাকী অসমীয়া হিচাপে আমি সকলোৱে অসমীয়া ভাষা আৰু ব্যাকৰণৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব লাগে, ইয়াৰ শুদ্ধ ৰূপক ব্যৱহাৰ কৰিবলৈ যত্নপৰ হ'ব লাগে, চৰ্চা আৰু সাধনাৰ প্ৰতি আগ্ৰহী হোৱাৰ লগতে আনকো আগ্ৰহী কৰাব লাগে। তেতিয়াহে অসমীয়া ভাষাৰ বিকাশ সম্ভৱ, লগতে সময়ে সময়ে দেখা দিয়া ভাষিক সমস্যাসমূহৰ সমাধানো সম্ভৱ হ'ব।

ঠিকনা ঃ নাওজান, টিংখাং-৭৮৬৬১২, ডিব্ৰুগড়,
ফোন ঃ ৯১০১১৫৮৬৩৭,
e-mail : krishnabhujeldbr2017@gmail.com